# মৌলিক অধিকাৰ

## TEXTUAL QUESTIONS AND ANSWERS

### প্ৰশ্ন ১: চমু উত্তৰ দিয়া –

( ক ) মৌলিক অধিকাৰ বুলিলে কি বুজা ?

**উত্তৰঃ** আমাৰ সংবিধানে সমাজত সঠিক ৰূপে বসবাস কৰিবলৈ প্ৰয়োজন হোৱা কেইটামান অধিকাৰ সকলো নাগৰিককে দিছে। এই অধিকাৰসমূহ উপভোগ কৰাত কোনো ব্যক্তিয়ে কাকো বাধা প্ৰদান কৰিব নোৱাৰে। সেয়ে ইয়াক মৌলিক অধিকাৰ বুলি কোৱা হয়।

( খ ) সংবিধানৰ কোনটো অধ্যায়ত মৌলিক অধিকাৰৰ বিষয়ে উল্লেখ আছে ?

**উত্তৰঃ** সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰৰ বিষয়ে উল্লেখ আছে।

( গ ) ভাৰতৰ সংবিধানৰ মৌলিক অধিকাৰৰ তালিকাৰ পৰা সম্পত্তিৰ অধিকাৰ কোনটো সংশোধনী মতে বাতিল কৰা হয় ?

**উত্তৰঃ** মৌলিক অধিকাৰৰ পৰা সম্পত্তিৰ অধিকাৰ ৪৪ তম সংবিধান সংশোধনীৰ জৰিয়তে ১৯৭৮ চনত বাতিল কৰা হয়।

( ঘ ) সংবিধানৰ কোনটো অনুচ্ছেদ মতে চৰকাৰী শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা প্ৰদানত বাধা আৰোপ কৰিছে ?

**উত্তৰঃ** সংবিধানৰ ২৮ নং অনুচ্ছেদ অনুসৰি চৰকাৰ পৰিচালিত কোনো শিক্ষানুষ্ঠানতে ধৰ্মীয় শিক্ষা প্ৰদানত বাধা আৰোপ কৰিছে।

( ঙ ) কোন চনত শিশু শিক্ষা অধিকাৰ আইন প্ৰণয়ন কৰা হয় ?

**উত্তৰঃ** ২০০৯ চনত।

### প্ৰশ্ন ২: খালী ঠাই পূৰ কৰাঃ

( ক ) ভাৰতবৰ্ষ এখন ধৰ্ম ___ ৰাষ্ট্ৰ ।

**উত্তৰঃ** নিৰপেক্ষ ।

( খ ) শিশু শ্ৰমিক নিষিদ্ধ আইন ___ চনত জাৰি কৰা হয় ।

**উত্তৰঃ** ২০০৬ ।

( গ ) মৌলিক অধিকাৰে নাগৰিকৰ ___ বিকাশত সহায় কৰে ।

**উত্তৰঃ** ব্যক্তিত্ব ।

( ঘ ) ন্যায়ালয় হৈছে মৌলিক অধিকাৰৰ ____ ।

**উত্তৰঃ** ৰক্ষক ।

**প্ৰশ্ন ৩: শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ**

( ক ) মৌলিক অধিকাৰৰ পৰা বঞ্চিত হলে নাগৰিকে ন্যায়ালয়ৰ কাষ চাপিব পাৰে / নোৱাৰে।

**উত্তৰঃ** পাৰে ।

( খ ) দেশৰ জৰুৰী অৱস্থা বহাল থাকিলে নাগৰিকে সকলোবোৰ মৌলিক অধিকাৰ ভোগ কৰিব পাৰে / নোৱাৰে ।

**উত্তৰঃ** নোৱাৰে ।

( গ ) আইনৰ চকুত সকলো সমান হয় / নহয় ।

**উত্তৰঃ** হয় ।

( ঘ ) মৌলিক অধিকাৰ সংবিধানৰ এক অবিচ্ছেদ্য অংগ হয় / নহয় ।

**উত্তৰঃ** হয় ।

( ঙ ) আমাৰ দেশৰ নাগৰিকে নিজা নিজা ভাষা , সংস্কৃতি আৰু শিক্ষাৰ সুৰক্ষা লাভ কৰিব পাৰে / নাোৰাৰে ।

**উত্তৰঃ** পাৰে ।

**প্ৰশ্ন ৪: মৌলিক অধিকাৰ সমূহৰ প্ৰয়াোজনীয়তাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** মৌলিক অধিকাৰসমূহৰ অবিহনে নাগৰিকৰ ব্যক্তিত্ব বিকাশত বাধাৰ সৃষ্টি হয় ।

◆ মৌলিক অধিকাৰৰ মাজেদি এখন ৰাষ্ট্ৰৰ পৰিচয় পাোৰা যায় ।

◆ মৌলিক অধিকাৰসমূহ উপভাোগ কৰাৰ ক্ষেত্ৰত কোনাো বৈষম্য নথকাৰ বাবে জাতি , ধৰ্ম , ভাষা , বৰ্ণ নিৰ্বিশেষে নাৰী – পুৰুষ উভয়ে এই অধিকাৰসমূহ সমানে উপভাোগ কৰিব পাৰে ।

**প্ৰশ্ন ৫: মৌলিক অধিকাৰৰ প্ৰধান বৈশিষ্ট্যসমূহ লিখা।**

**উত্তৰঃ** মৌলিক অধিকাৰৰ প্ৰদান বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা হ'ল—

( ক ) মৌলিক অধিকাৰসমূহ সংবিধানৰ এক অবিচ্ছেদ্য অংগ ।

( খ ) মৌলিক অধিকাৰসমূহ বৈষম্য মূলক নহয় ।

( গ ) ন্যয়ালয় হৈছে মৌলিক অধিকাৰৰ ৰক্ষক ।

( ঘ ) মৌলিক অধিকাৰে নাগৰিকৰ ব্যক্তিত্ব বিকাশত সহায় কৰে ।

( ঙ ) নাগৰিকৰ মৌলিক অধিকাৰে চৰকাৰক স্বেচ্ছাচাৰী শাসন চলাোৱাত বাধা প্ৰদান কৰে ।

( চ ) সমাজৰ পিচপৰা লাোকক মৌলিক অধিকাৰে সুৰক্ষা প্ৰদান কৰে ।

**প্ৰশ্ন ৬: ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰসমূহৰ বিষয়ে চমুকৈ লিখা।**

**উত্তৰঃ** ভাৰতবৰ্ষৰ সংবিধানৰ তৃতীয় অধ্যায়ত ১২ অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা আছে । আমাৰ মৌলিক অধিকাৰসমূহ এনে ধৰণৰ –

১। সমতাৰ অধিকাৰ ।

২। স্বাধীনতাৰ অধিকাৰ ।

৩। শোষণৰ বিৰুদ্ধে অধিকাৰ ।

৪। শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ ।

৫। ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ ।

এই অধিকাৰ সমূহৰ যাোগেদি সংবিধান প্ৰণেতা সকলে ভাৰতৰ জনগণক সকলাে ক্ষেত্ৰতে সম অধিকাৰ প্ৰদান কৰিছে , স্বাধীন ভাবে চলা – ফুৰা , ব্যৱসায় বাণিজ্য কৰাৰ অধিকাৰ দিছে , কোনেও যাতে অন্যায় ভাবে শোষণ কৰিব নাােৱাৰে তাৰ প্ৰতিবাদ কৰাৰ অধিকাৰ দিছে , শিক্ষা – দীক্ষা লাভ কৰাৰ অধিকাৰ প্ৰদান কৰিছে , ইয়াৰাােপৰি সকলাে ধৰ্মৰ মানুহকে নিজ নিজ ধৰ্ম আচৰণ কৰাৰ অধিকাৰ অৰ্পন কৰা হৈছে ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

### প্ৰশ্ন ১: ভাৰতীয় সংবিধানে প্ৰদান কৰা “ শাােষণৰ বিৰুদ্ধে অধিকাৰে শিশু সকললৈ কি সুবিধা আগবঢ়াইছে ?

**উত্তৰঃ** আমাৰ সংবিধানৰ ২৩ নং আৰু ২৪ নং অনুচ্ছেদত শোষণৰ বিৰুদ্ধে উল্লেখ আছে । আমি সাধাৰণতে হাােটেল , দোকান , ইটা ভাটা , চাহ বাগিছা , কল – কাৰখানা , ৰাস্তা নিৰ্মাণ আদিত শিশু সকলক কাম কৰা দেখা পাও । ইয়াৰ কাৰণ হ’ল মালিক সকলে কম মজুৰিত দিনে ৰাতিয়ে কামত নিয়াােগ কৰিব পাৰে । আনকি কেতিয়াবা মালিকসকলে শিশুসকলক বিপদজনক স্থান যেনে খনি আদিত কাম কৰিবলৈও বাধ্য কৰায় । সেয়ে আমাৰ সংবিধানে শাােষণৰ বিৰুদ্ধে অধিকাৰৰ ব্যৱস্থা কৰি শ্ৰমিকৰ পৰা বিনা মজুৰীৰে শ্ৰম আদায় , জোৰ – জুলুমকৈ পৰিশ্ৰম কৰিবলৈ বাধ্য কৰাােৱা , অন্যায় আৰু অবৈধ কাম – কাজৰ বাবে শিশুক নিয়াােগ আদি আইন বিৰাােধী বুলি নিষিদ্ধ কৰিছে ।

শিশু সকলো ভাৰতৰ নাগৰিক । গতিকে তেওঁলোকক সুৰক্ষা প্ৰদান কৰাটো সংবিধানৰ পবিত্ৰ কৰ্তব্য ।

**প্ৰশ্ন ২: শিশু শ্ৰমিক প্ৰতিৰোধ আইন ২০০৬ ৰ ওপৰত এটি টোকা লিখা।**

**উত্তৰঃ** ২০০৬ চনৰ অক্টোবৰ মাহত চৰকাৰে শিশু শ্ৰমিক প্ৰতিৰোধ আইন জাৰি কৰি ১৪ বছৰ বয়সৰ তলৰ শিশুক হোটেল , ধাবা , দোকান আদিত আৰু বিপদজনক কল – কাৰখানাৰ কামত নিয়োগ কৰা বন্ধ কৰিছে । এই আইন ভংগ কৰা সকলক ৩ মাহৰ পৰা দুই বছৰ পৰ্যন্ত জেলত ৰাখিব পাৰিব আৰু ১০,০০০ ( দহ হাজাৰ ) টকাৰ পৰা ২০,০০০ ( বিশ হাজাৰ ) টকা পৰ্যন্ত জৰিমনা কৰিব পাৰিব ।

**প্ৰশ্ন ৩: নাগৰিকসকলে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হলে কাৰ সহায় লব পাৰে ?**

**উত্তৰঃ** আমাৰ সংবিধানত ৩২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ উল্লেখ আছে । ভাৰতবৰ্ষৰ সংবিধানে যিদৰে নাগৰিকক মৌলিক অধিকাৰ প্ৰদান কৰিছে ঠিক সেইদৰে এই অধিকাৰসমূহ উলংঘা কৰাৰ ক্ষেত্ৰতো সংবিধানে প্ৰতিকাৰৰ ব্যৱস্থা কৰিছে । গতিকে নাগৰিকসকলে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হলে আদালতৰ সহায় ল’ব পাৰে ।

**প্ৰশ্ন ৪: সংবিধানত উল্লেখ কৰা ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ অনুচ্ছেদটোৱে নাগৰিকক কি অধিকাৰ প্ৰদান কৰিছে ?**

**উত্তৰঃ** আমাৰ সংবিধানত ২৫ নং অনুচ্ছেদৰ পৰা ২৮ নং অনুচ্ছেদলৈ ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ বিষয়ে উল্লেখ আছে । ভাৰতবৰ্ষ হৈছে এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ ( Secular ) । ইয়াত কোনো ৰাজ ধৰ্ম নাই । ভাৰতবৰ্ষত সকলো ধৰ্মৰ লোকে নিজ ইচ্ছা অনুসৰি ধৰ্ম গ্ৰহণ , ধৰ্মীয় আচাৰ অনুষ্ঠান পালন আৰু নিজ নিজ ধৰ্ম প্ৰচাৰৰ স্বাধীনতা উপভোগ কৰে । বিভিন্ন ধৰ্মৰ লোকৰ মাজত যাতে ঐক্য আৰু সংহতি বজাই ৰাখিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমাৰ সংবিধানে ধৰ্মীয় অধিকাৰ প্ৰদান কৰিছে ।